**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-11-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

পঞ্চদশ অসম বিধানসভাৰ চলিত অধিবেশনৰ আজি অন্তিম দিনা সদনত ভৈয়াম জনজাতি পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ৰাজ্যৰ ৬ জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কীয় মন্ত্ৰী গোটৰ প্ৰতিবেদন দাখিল কৰে। এই প্ৰতিবেদনক লৈ বিৰোধী পক্ষই আলোচনা হোৱাটো বিচাৰিছিল যদিও বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে অনুমতি প্ৰদান নকৰে আৰু সদন অনিৰ্দিষ্ট কাললৈ স্থগিত বুলি ঘোষণা কৰে।

প্ৰতিবেদন অনুসৰি অসমৰ জনজাতিসকলক ৩ টা ভাগত বিভক্ত কৰা হয়। আগৰে পৰা থকা ভৈয়াম জনজাতি আৰু পাৰ্বত্য জনজাতিৰ লগত উপত্যকা জনজাতি সংযোগ কৰা হৈছে। সেই অনুসৰি ছয় জনগোষ্ঠীৰ অবিভক্ত গোৱালপাৰা জিলাৰ কোচ ৰাজবংশীসকল, মৰাণ, আৰু মটকসকলৰ ভৈয়াম জনজাতি হিচাপে স্বীকৃতি দিয়াৰ প্ৰস্তাৱ দিয়া হয়। আনহাতে, আহোম, চুতীয়া, আদিবাসী চাহ জনগোষ্ঠী আৰু অবিভক্ত গোৱালপাৰা জিলাৰ বাহিৰৰ কোচ ৰাজবংশীসকলক উপত্যকা জনজাতি হিচাপে স্বীকৃতি দিয়াৰ মন্ত্ৰীগোটে প্ৰস্তাৱ দিয়ে।

উল্লেখযোগ্য যে, ৰাজ্যত ৬টা জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰসংগত গঠন কৰা মন্ত্ৰী গোটে বুধবাৰে ৰাজ্যিক মন্ত্ৰীসভাত প্ৰতিবেদন দাখিল কৰিছিল। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীয়ে এই প্ৰতিবেদনখনক মন্ত্ৰীসভাই অনুমোদন দিছে বুলি সংবাদমেলক অৱগত কৰিছিল। এই প্ৰতিবেদনে বৰ্তমানৰ জনজাতিসকলৰ অধিকাৰ আৰু সাংবিধানিক সুৰক্ষাৰ ক্ষেত্ৰত কোনো অসুবিধাৰ সৃষ্টি নকৰাকৈ অন্যান্য জনগোষ্ঠীসমূহৰ আশা-আকাংক্ষাক প্ৰতিনিধিত্ব কৰিব পাৰিব বুলি ডং শৰ্মাই উল্লেখ কৰিছিল।

০০০০

১৯৫১ চনৰ আগত অসমলৈ অহা লোকক ভূমি পট্টা প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। অসম বিধান সভাৰ শীতকালীন অধিবেশনৰ আজি অন্তিম দিনা মুখ্যমন্ত্ৰীগৰাকীয়ে সদনত এই বিষয়ে ঘোষণা কৰে। তেওঁ কয়, যে চৰকাৰে ভূমিৰ অধিকাৰ প্ৰদানৰ বাবে নিয়মৰ আধাৰত সময়সীমা নিৰ্ধাৰণ কৰিছে।

**ৰাইট (চি এম)**

০০০০০০০

মৰান স্বায়ত্ত শাসিত পৰিষদৰ সীমা নিৰ্ধাৰণৰ বাবে তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পালে আজি পুনৰ খচৰা প্ৰস্তাৱৰ জাননী জাৰী কৰিছে। পৰিষদৰ ৩০ টা সমষ্টিৰ বাবে জিলাখনৰ ৪১০ খন ৰাজহ গাওঁ অন্তৰ্ভুক্ত কৰি এই জাননী জাৰি কৰা হৈছে। সেই অনুসৰি কাইলৈৰ পৰা ২০ ডিচেম্বৰলৈ এই সম্পৰ্কত কাৰোবাৰ দাবী

বা আপত্তি থাকিলে লিখিতভাৱে নডেল বিষয়াৰ ওচৰত দাখিল কৰিব পাৰিব। এই দাবী আৰু আপত্তি সম্পৰ্কত ২১ ডিচেম্বৰৰ পৰা ২৮ ডিচেম্বৰলৈ শুনানি অনুষ্ঠিত হ'ব আৰু ৩১ ডিচেম্বৰত চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৮ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট airnews আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

গুৱাহাটীৰ কাহিলিপাৰাস্থিত জ্যেতি চিত্ৰবনত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ অনুষ্ঠিত হৈছে। ২০১৭ চনৰ পৰা প্ৰতি বছৰে উত্তৰ-পূব ভাৰতৰ আগশাৰীৰ সাংস্কৃতিক অনুষ্ঠান তথা বিশ্ব সংবাদ কেন্দ্ৰৰ সহযোগী চলচ্চিত্ৰমে ৰাষ্ট্ৰীয় চুটি ছবি আৰু তথ্য চিত্ৰ মহোৎসৱ অনুষ্ঠিত কৰি আহিছে। এইবাৰৰ মহোৎসৱৰ মূল বিষয় হৈছে- **আমাৰ ঐতিহ্য আমাৰ গৌৰৱ**। মহোৎসৱত ৩০ খন চুটি ছবি আৰু তথ্য চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। সামৰণি অনুষ্ঠানত ৰাজ্যৰ বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়াৰ লগতে ভালেমান গণ্যমান্য লোক উপস্থিত থাকিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০০০০

সমাগত ৰাজ্য বিধান সভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে পৰহিলৈৰ পৰা আকাশবাণী গুৱাহাটী যোগে প্ৰচাৰিত বাতৰি আৰু বাতৰি বিভাগৰ কেতবোৰ অনুষ্ঠানৰ সময়ৰ কিছু সালসলনি কৰা হৈছে। এই অনুসৰি দিনৰ ১১ বজাত প্ৰচাৰিত মুখ্য বাতৰি পৰহিলৈৰ পৰা পাঁচ মিনিটৰ বাতৰি বুলেটিন হিচাপে প্ৰচাৰ কৰা হ'ব। দিনৰ ১২ বাজি পাঁচ মিনিটত প্ৰচাৰ কৰা বাতৰিৰ সময় ১০ মিনিটলৈ বৃদ্ধি কৰা হ'ব। একেদৰে তিনি বজাৰ মুখ্য বাতৰিৰ পৰিৱৰ্তে পাঁচ মিনিটৰ বুলেটিন প্ৰচাৰ কৰা হ'ব। বিয়লি পাঁচ বাজি ১৫ মিনিটৰ আৰু সন্ধিয়া ছয় বজাৰ বাতৰি এতিয়া পাঁচ মিনিটৰ পৰিৱৰ্তে ১০ মিনিটৰ বাবে প্ৰচাৰ কৰা হ'ব।

০০০০০০০

**ঃঃ সমাপ্ত ঃঃ**